সাহিত্য

জিতুমণি পাঠক

পুলিৎজাৰত ভাৰতীয় বংশোদ্ভৱ

সুস্থ আৰু নিকা সাংবাদিকতাক প্ৰোৎসাহিত কৰিবলৈ তথা নাট আৰু সংগীতৰ প্ৰতিভাধৰসকলক তেওঁলোকৰ অনন্য কৰ্মৰ স্বীকৃতি দিবলৈ ১৯১৭ চনতে প্ৰৱৰ্তন কৰা হৈছিল পুলিৎজাৰ বঁটা। আমেৰিকাৰ এগৰাকী প্ৰখ্যাত বাতৰি কাকত প্ৰকাশক যোচেফ পুলিৎজাৰে তেওঁৰ ইচ্ছাপত্ৰত জনোৱা আগ্ৰহ অনুসৰিয়েই আমেৰিকাৰ কলম্বিয়া ইউনিভাৰছিটীয়ে প্ৰতিবছৰৰ এপ্ৰিল মাহত এই বঁটা প্ৰদান কৰি আহিছে। আৰম্ভণিৰ সময়ছোৱাত এই বঁটা কেইটামান নিৰ্দিষ্ট শিতানত সীমাবদ্ধ আছিল যদিও পিছলৈ সময় আৰু ইয়াৰ বৰ্দ্ধিত প্ৰয়োজনীয়তাৰ কথালৈ লক্ষ্য ৰাখি এই পুৰস্কাৰৰ সংখ্যা বঢ়োৱা হয়। কেইটিমান বছৰ আগেয়ে অনলাইন সাংবাদিকতাকো এই পুৰস্কাৰৰ গণ্ডীত সুমুৱাই লোৱা হৈছে। এই আটাইবোৰ সামৰি বৰ্তমান সময়ত ২১টা ভিন্ন শিতানত পুলিৎজাৰৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। ইয়াৰ অধিকাংশ বঁটাই সাংবাদিকতাৰ বিভিন্ন দিশসমূহৰ সৈতে জড়িত।



এইবাৰ এপ্ৰিল মাহত প্ৰদান কৰা পুলিৎজাৰ বঁটা প্ৰদান অনুষ্ঠানটো ভাৰতবাসীৰ বাবে অতি আগ্ৰহৰ আছিল, কিয়নো পুনৰবাৰ পুলিৎজাৰৰ দৰে এক সন্মানীয় পুৰস্কাৰৰ অধিকাৰী হ'বলৈ সক্ষম হ'ল আন এগৰাকী ভাৰতীয় বংশোদ্ভৱ। এয়া আছিল কোনো ভাৰতীয় বংশোদ্ভৱলৈ আগবঢ়োৱা পঞ্চমটি সন্মান। ইতিপূৰ্বে চাৰিগৰাকী ভাৰতীয় বংশোদ্ভৱে পুলিৎজাৰ বঁটাৰ ভিন্ন শিতানত নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰে প্ৰথমগৰাকী হিচাপে যিগৰাকী ভাৰতীয় বংশোদ্ভৱে এই সন্মান কঢ়িয়াই আনিছিল, তেওঁ হ'ল— গোবিন্দ বিহাৰী লাল। লাল এগৰাকী ছায়েন্স এডিটৰ হিচাপে প্ৰসিদ্ধ আছিল আৰু তেওঁ হাৰ্ভাৰ্ড ইউনিভাৰছিটীৰ তিনিশ বছৰীয়া পূৰ্তি উপলক্ষে সেই শিক্ষানুষ্ঠানৰ বিজ্ঞান শিক্ষাৰ এক দীৰ্ঘদিনীয়া ইতিহাসক অতি সুন্দৰভাৱে প্ৰতিফলিত কৰি এক প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়াইছিল। তেওঁৰ এই অনন্য প্ৰতিবেদনেই তেওঁলৈ কঢ়িয়াই আনিছিল সন্মানীয় পুলিৎজাৰ পুৰস্কাৰ। লালে তেওঁৰ অনবদ্য ৰিপ'ৰ্টিঙৰ বাবে ১৯৩৭ চনতে প্ৰথমগৰাকী ভাৰতীয় বংশোদ্ভৱ হিচাপে এই সন্মানৰ অধিকাৰী হয়। কিন্তু ইয়াৰ পিছত এক দীৰ্ঘসময়লৈকে পুলিৎজাৰৰ ইতিহাসত কোনো ভাৰতীয় বংশোদ্ভৱে স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশ্যে ইয়াৰ অন্ত পেলায় এই শতিকাৰ আৰম্ভণিতে এগৰাকী অতি উচ্চমানৰ লেখিকা ঝুম্পা লাহিড়ীয়ে। ঝুম্পা লাহিড়ীয়ে ২০০০ চনত তেওঁৰ 'ইণ্টাৰপ্ৰেটাৰ অব মেলডিজ'ৰ বাবে কাহিনী শিতানত পুলিৎজাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। লাহিড়ীৰ পিছত পুলিৎজাৰ বঁটাৰ তৃতীয়টি সন্মান কঢ়িয়াই আনে আন এগৰাকী প্ৰৱাসী ভাৰতীয় গীতা আনন্দে। পেছাত লেখিকা-সাংবাদিক গীতা আনন্দে আমেৰিকাৰ কৰ্প'ৰেট জগতত হোৱা বৃহৎ কেলেংকাৰীক তেওঁৰ সংক্ষিপ্ত, স্পষ্ট লেখাৰে 'ৱাল ষ্ট্ৰীট জাৰ্ণেল'ত ফাদিল কৰা বিশেষ প্ৰতিবেদনৰ বাবে ২০০৩ চনত এই সন্মানৰ অধিকাৰী হৈছিল। ২০১১ চনত অ-কাহিনী (নন-ফিকচন) শিতানত ভাৰতীয় বংশোদ্ভৱ সিদ্ধাৰ্থ মুখাৰ্জীয়ে কঢ়িয়াই অনা বঁটাটিয়ে আছিল অন্তিমটি বঁটা। কিন্তু মাজতে মাথোঁ দুটি বছৰৰ অন্তৰালত ২০১৪ চনত এই চুটি অথচ গৌৰৱপূৰ্ণ তালিকাত সংযোজন ঘটিল আন এগৰাকী ভাৰতীয় বংশোদ্ভৱ, সাম্প্ৰতিক সময়ৰ এগৰাকী খ্যাতনামা কবি বিজয় শেষাদ্ৰীৰ নাম।

কবি বিজয় শেষাদ্ৰীৰ জন্ম ১৯৫৪ চনত বাংগালোৰত। পাঁচ বছৰ বয়সতে তেওঁ পৰিয়ালৰ সৈতে আমেৰিকালৈ গুচি আহে। বিজয় শেষাদ্ৰীৰ পিতৃয়ে আমেৰিকাৰ অহিঅ' ষ্টেট ইউনিভাৰছিটীত ৰসায়নবিদ্যা বিভাগত শিক্ষকতা কৰিছিল। সেই সূত্ৰে তেওঁৰ শৈশৱ কালছোৱাৰ আৰম্ভণি ঘটিছিল অহিঅ'ত। ইয়াৰ পিছত ভিন্ন সময়ত ভিন্ন তাগিদাত তেওঁ দেশখনৰ বেলেগ বেলেগ ঠাইত কটাবলগীয়া হৈছিল। সম্প্ৰতি প্ৰবন্ধ তথা কবিতা লিখাৰ শিক্ষক হিচাপে নিউয়ৰ্কৰ লিবাৰেল আৰ্ট কলেজত কৰ্মৰত বিজয় শেষাদ্ৰী সুধী সমাজত পৰিচিত এগৰাকী সুদক্ষ প্ৰবন্ধকাৰ তথা কবি হিচাপে। তেওঁৰ কবিতা তথা ৰচনাৰাজি আমেৰিকাৰ বহুতো সন্মানীয় প্ৰকাশন, যেনে— 'আমেৰিকান স্ক'লাৰ', 'দ্য নেচন', 'দ্য নিউয়ৰ্কাৰ', 'দ্য টাইম বুক ৰিভিউ' আদিত নিয়মীয়াভাৱে প্ৰকাশ পাই আহিছে। তেওঁৰ প্ৰথমখন গ্ৰন্থ 'ৱাইল্ড কিংডম' প্ৰকাশ পায় ১৯৯৬ চনত। প্ৰথমখন গ্ৰন্থতে যেন বিজ্ঞসকলে তেওঁৰ মাজত লুকাই থকা প্ৰতিভাৰ উমান পাইছিল। ইয়াৰ পিছত প্ৰকাশ পায় তেওঁৰ দ্বিতীয়খন কবিতা পুথি 'দ্য লং মিড'ৰে'। এই কবিতা পুথিখনেও সমসাময়িক কাব্যপ্ৰেমীসকলক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল আৰু 'একাডেমী অব আমেৰিকান পয়েটছ'-এ তেওঁৰ অনবদ্য কৃতিৰ চিনস্বৰূপে সন্মানীয় জেমছ লাফলিন পুৰস্কাৰেৰে পুৰস্কৃত কৰিছিল। তেওঁৰ দ্বিতীয়খন কবিতাপুথি প্ৰকাশৰ সময় আছিল ২০০৪ চন। ইয়াৰ পিছত মাজতে প্ৰায় দহটা বছৰৰ বিৰতি। এই সময়কণকে যেন কবিগৰাকীয়ে ন্যস্ত কৰিছিল জীৱনৰ কোনো এক সৰ্বোচ্চ কৃতিৰ বাবে। এক দীৰ্ঘ সময়ৰ ব্যৱধানে তেওঁৰ কলমৰপৰা উলিয়াই আনিছিল কিছু অনবদ্য সৃষ্টি, যিবোৰ কবিতাৰূপে প্ৰকাশ পাইছিল তেওঁৰ তৃতীয়খন গ্ৰন্থ 'থ্ৰী ছেকচন'ত। 'থ্ৰী ছেকচন'ৰ বাবেই তেওঁক ২০১৪ চনৰ কবিতা শিতানত সন্মানীয় পুলিৎজাৰ পুৰস্কাৰেৰে সন্মানিত কৰা হ'ল। বিজয় শেষাদ্ৰীৰ কাব্যিক প্ৰতিভাৰ প্ৰতি নিঃসন্দেহে ই এক উল্লেখনীয় স্বীকৃতি বুলি ক'ব পাৰি।